নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ☐ যোৰহাট সংস্কৰণ ☐ মুঠ পৃষ্ঠা ১২

—২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ দ্বাদশ বছৰ সংখ্যা ১২৪ দেওবাৰ ৪ চ'ত ১৯৪৪ শক ১৯ মাৰ্চ ২০২৩ চন ASOMIYA KHABAR JORHAT SUNDAY

## মুখ্য নিৰ্বাচনী আয়ুক্তৰ নে

গুৱাহাটীত ঃ ৰাজ্যখনৰ সকলো ৰ

ক্ষ মতামত ঃ ৰাজ্য প্ৰশাসনৰ শীৰ্ষ

## মষ্টি পুনৰ নিৰ্ধ

## মেট্ৰিক পৰীক্ষাৰ্থী

## ৰিবলৈ ভাইৰেল ভূগোল



নগাঁৱৰ প্ৰাইভেট স্কুলৰ
জনৈক আলীয়ে ২০২১
প্ৰশ্নকাকত সম্পাদনা কৰি
পৰীক্ষাৰ্থীলৈ কৰিছিল প্ৰে
জালত পৰিল শিৱসাগৰ
প্ৰতিষ্ঠিত পৰিয়ালৰ সন্ত

## ড° শশীকান্ত শইকীয়ালৈ 'দিনবন্ধু' উপাধি ঘোষণা

আমাৰ খবৰ, গড়মূৰ, ১৮ মাৰ্চ ঃ সাহিত্যিক, সমাজকৰ্মী তথা ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়ালৈ মাজুলীৰ পৰা প্ৰকাশিত জনপ্ৰিয় আলোচনী 'পলস'ৰ তৰফৰ পৰা 'দিনবন্ধু' উপাধি আগবঢ়োৱা হৈছে। ১৯৬৭ চনৰ ৩১ জুলাইত ডিব্ৰুগড় জিলাৰ মোহনবাৰীৰ সমীপৰ হাবাবাৰী গাঁৱত জন্মগ্ৰহণ কৰা হৰিপদ শইকীয়া আৰু সুনীতি শইকীয়াৰ চতুৰ্থ পুত্ৰ, সমাজসেৱক ড° শশীকান্ত শইকীয়াই বিগত সময়ত অসমৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন ব্যক্তিক বিপদৰ সময়ত বিভিন্ন ধৰণেৰে সহায় আগবঢ়াই আহিছে। তেওঁৰ এই মহানতাৰ বাবেই পলসৰ তৰফৰ পৰা ৰাজহুৱা স্বীকৃতিৰ চিনস্বৰূপে এই উপাধি প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। আগন্তুক সময়ত এক বিশেষ অনুষ্ঠানত ড° শশীকান্ত শইকীয়াক এই উপাধি আনুষ্ঠানিকভাৱে প্ৰদান কৰিব বুলি 'পলস'ৰ মুখ্য সম্পাদকগৰাকীয়ে এক বিবৃতিৰ জৰিয়তে জনাইছে।

## টেঙাখাত

## মাটি ইটাভাট

আমাৰ খবৰ, টেঙাখাত, ১৮ মাৰ্চ ঃ ডিব্ৰুগড় জিলাৰ দুলীয়াজান বিধান সভা সমষ্টিৰ টেঙাখাত ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত টিংৰাই চাৰিআলিস্থিত ইটা ভাটাত নীতিবহিৰ্ভূতভাৱে ট্ৰাকে ট্ৰাকে মাটি যোগান ধৰাৰ ফলত অঞ্চলটোৰ বাট-পথ জৰাজীৰ্ণ অৱস্থাত পৰিণত হৈছে। এইক্ষেত্ৰত সচেতন ৰাইজে প্ৰশাসনক অৱগত কৰাৰ সত্বেও কোনো ফলাফল লাভ কৰা নাই।

ইফালে
সংবাদ
'মেনেজ
পৰা গৈ
বিষয়া
অধীনৰ
পথটো
ছিগনে

### অংগনৱাড়ী কেন্দ্ৰ

## বিদ্যালয়ৰ

## শিক্ষিত নিবন

## অগ্ৰাধিকাৰ

আমাৰ খবৰ, আমগুৰি, ১৮ মাৰ্চ ঃ শিৱসাগৰ জিলাৰ দোপদৰ মৌজাৰ অন্তৰ্গত আৰু আমগুৰি সংহত শিশু উন্নয়ন প্ৰকল্পৰ আধীনস্থ বামুণ পুখুৰীৰ বলিমৰা অংগনবাড়ী কেন্দ্ৰৰ কৰ্মী পদৰ বাবে ইতিমধ্যে সাক্ষাৎকাৰ অনুষ্ঠিত হয়। এই সাক্ষাৎকাৰত কেইবাগৰাকীও মহিলাই সংশ্লিষ্ট পদৰ বাবে অৱতীৰ্ণ হোৱা বুলি জনা যায় যদিও